সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৪৩ সংখ্যা, ১৩ কাতি , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 43 * Date Of Publication - 31 October 2021 Rs.5.00/-

## সচিবালয়ত পৰি থকা সকলো ফাইলৰ কাম ২০২২ চনৰ ১০ মে'ৰ ভিতৰত সম্পূৰ্ণ হ'ব ঃ হিমন্ত বিশ্ব শৰ্মা



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্য চৰকাৰে বছৰ বছৰ ধৰি বিভিন্ন অজুহাতত নিষ্পত্তি নোহোৱা ফাইলৰ কাম সম্পূৰ্ণ কৰাৰ বাবে গ্ৰহণ কৰিছে প্ৰশাসনিক সংস্কাৰৰ আন এক পদক্ষেপ। ৰাজহ বিভাগৰ ভূমি সম্পৰ্কীয় কাম-কাজৰ জটিলতা দূৰ কৰাৰ বাবে শেহতীয়াকৈ আৰম্ভ কৰা 'মিছন বসুন্ধৰা'ৰ পাছত এইবাৰ প্ৰশাসনিক হৃদপিণ্ড জনতা ভৱনৰ ফাইলৰ বোজা হ্ৰাস কৰাৰ বাবে ৰাজ্য চৰকাৰে আৰম্ভ কৰিব 'প্ৰজেক্ট সদ্ভাৱনা'। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই খানাপাৰাস্থিত প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালত এখন সংবাদ মেল সম্বোধন কৰি 'প্ৰজেক্ট সদ্ভাৱনা'ৰ শুভাৰম্ভৰ কথা ঘোষণা কৰে। লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়- ৰাজ্যৰ বাবে ই এক ব্যতিক্ৰমী প্ৰয়াস। ইয়াৰ জৰিয়তে অহা ছমাহৰ ভিতৰত জনতা ভৱনত নিষ্পত্তি নোহোৱাকৈ পৰি থকা সকলো ফাইলৰ কাম সম্পূৰ্ণ কৰা হ'ব। এই আঁচনিৰ জৰিয়তে ২০২১ চনৰ ১০ মে'ৰ পূৰ্বৰ সকলো ফাইলৰ নিষ্পত্তি কৰা হ'ব। এই কাম সম্পূৰ্ণ কৰাৰ বাবে লক্ষ্য বান্ধি লোৱা হৈছে ২০২২ চনৰ ১০ মে'। ৰাজ্য প্ৰশাসনৰ সকলো বিষয়া-কৰ্মচাৰী ১০ নৱেম্বৰৰ পৰাই এই আঁচনি কাৰ্যকৰী কৰাৰ বাবে নামি পৰিব । এই লক্ষ্যৰে মুকলি কৰা হ'ব 'আৰ টি পি এছ' আৰু 'পি এফ চি' নামৰ দুটাকৈ প'ৰ্টেল ।এই প'ৰ্টেলৰ জৰিয়তে

(দুই পৃষ্ঠাত চাওক)


## সম্পাদকীয়ঃ পৰিৰ্বতন

কি বুলিনো আৰম্ভ কৰো ভাবিয়েই নোপোৱা হৈছো ।মনত বহু প্ৰশ্ন ?এয়াই নেকি পৰিৱৰ্তন ??এই পৰিবৰ্তনত জনসাধাৰণৰ দুখ-দুৰ্দশাৰ কথা নাই নেকি ?যোৱা বছৰৰ পৰা কভিড আৰু তাৰ লগে লগে লকডাউন। এচামৰ বাবে চৰম বিপৰ্যয়। এই যে এচামৰ চৰম বিপৰ্যয়...এই অৱস্থাটোৰ কথা আমাৰ ৰজাঘৰীয়াসকলে এতিয়ালকে অনুধাৱনেই কৰা নাই নে অনুধাৱন কৰিবলৈ ইচ্ছা কৰা নাই। বিগত কেইমাহমানৰ পৰা হোৱা আকাশলংঘী মূল্যবৃদ্ধিয়ে সকলোকে বাৰুকৈয়ে কোঙা কৰি পেলাইছে। পেট্ৰ'লৰ মূল্যই চেঞ্চুৰী পাৰ কৰিলে। ডিজেলৰ মূল্য ই চেঞ্চুৰী মৰাৰ দিশত। মিঠাতেলেটো দবল চেঞ্চুৰীয়ে মাৰিলে। ৰন্ধন গেছৰ কথা ক'বই নালাগে। হাজাৰৰ ঘৰ চুলেগৈ আৰু। তথাপিও যে ৰজাঘৰীয়াৰ মাত বোল নাই ।ই কি আচৰিত। ইমান আকাশলংঘী দামতো বজাৰখন ঠমকি ৰোৱা নাই যে! কেনেবাকৈ আকৌ এয়া আচ্ছে দিনৰ নমুনা বুলি ৰজাঘৰীয়াই ভ্ৰান্ত ধাৰণা লৈ থকা নাইতো?? পেট্ৰল', ডিজেলৰ দাম বঢ়োৱাৰ লগে লগে আমাৰ বজাৰ খনতো জুই লাগিছে। কিন্তু এই সকলোবোৰ দেখি, শুনিও আমাৰ যোগান বিভাগে ভাও লৈছে চকু মুদা কুলিৰ। ৰজাঘৰীয়াই পাহৰিছে নেকি গণতন্ত্ৰত যে ৰাইজেই ৰজা। এয়াই নেকি পৰিবৰ্তন? আগৰ দিনত দাম বঢ়াৰ লগে লগে বিভিন্ন দল-সংগঠন, বিৰোধী, বুদ্ধিজীৱী আদিৰ দ্বাৰা বিভিন্ন প্ৰতিবাদী কাৰ্যসূচী হাতত লোৱা দেখা যায়। বৰ্তমানেটো এইবোৰো দেখা পোৱা নাযায়। কাৰণ চৰকাৰক সহায় কৰিবলৈ যে আছে কভিড প্ৰট'কলৰ দৰে এপাত ডাঙৰ অস্ত্ৰ। কোনোবাই যদি প্ৰতিবাদ কৰিবলৈ যায়, তেনেহ'লে তেওঁ হয়তো কভিড প্ৰট'কল ভংগ কৰাৰ অপাৰাধত ৰঙা ঘৰৰ আলহীও হ'ব লগীয়া হ'ব পাৰে।

এতিয়াও সময় আছে কেৱল মাত্ৰ ভোটৰ সময়ত জনসাধাৰণৰ দুখ -দুৰ্দশা বুজ ল'লেই নহ'ব। দৰকাৰৰ সময়ত ৰাইজৰ কাষত থিয় দিয়ক ।মূল্যবৃদ্ধি ৰোধ কৰক। এইখিনিতে আৰু এটা কথা যদিহে মূল্য বৃদ্ধি ৰোধ কৰিব নোৱাৰে তেনেহ'লে কিছু মন্ত্ৰীয়ে দিয়া তুলুঙা মন্তব্য বন্ধ কৰিব। কাৰণ কেনেকুৱাকৈ জীৱন অতিবাহিত কৰিব লগীয়া হৈছে সেইটো কেৱল ভুক্তভোগীয়েহে গ'ম পায়। শেষত নিম্ন মধ্যবিত্ত বুলিও যে এটা শ্ৰেণী আছে তাক যাতে পাহৰি নাযায় তাৰ বাবে অনুৰোধ কৰি এইখিনিতে সমাপ্ত কৰিলো।

"জয় ৰাম বোলা, জয় হৰি বোলা।"

## ক'ভিডৰ সংক্ৰমণ ৰোধৰ বাবে গুৱাহাটীত কঠোৰ হ'ব জিলা প্ৰশাসন



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীত পুনৰ আৰম্ভ হৈছে ক'ভিডৰ দ্ৰুত সংক্ৰমণ। যাৰ ফলত অধিক চিন্তিত হৈ পৰিছে জিলা প্ৰশাসন ।গুৱাহাটীত যাতে ক'ভিডৰ অধিক সংক্ৰমন হ'ব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি কামৰূপ মহানগৰ জিলা প্ৰশাসনে বিশেষ গুৰুত্ব আৰোপ কৰিছে। ক'ভিডৰ সংক্ৰমণ ৰোধৰ বাবে গুৱাহাটীত কঠোৰ হ'ব জিলা প্ৰশাসন। মাস্ক পিন্ধাটো হ'ব বাধ্যতামূলক কৰা হৈছে। মাস্ক নিপিন্ধিলে বিহা হ'ব ৫০০ টকাকৈ জৰিমনা। উল্লেখযোগ্য যে, মহানগৰত ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ ফলত ইতিমধ্যে ঘোষণা কৰা হৈছে কণ্টেইনমেণ্ট জ'ন। ৰূপনগৰৰ এটা অঞ্চলক ঘোষণা কৰা হৈছে কণ্টেইনমেণ্ট জ'ন। কণ্টেইনমেণ্ট জ'ন ঘোষণা মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকি কোষৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত ।এই কাৰ্যালয়ত কৰ্মৰত ৰৰ জন বিষয়া কৰ্মচাৰীৰ দেহত ধৰা পৰিছিল ক'ভিড-১৯। মহানগৰত বৃহস্পতিবাৰৰ দিনা দুখনকৈ বিদ্যালয় কামৰূপ জিলা প্ৰশাসনে ক'ভিড সংক্ৰমণৰ বাবে কণ্টেইমেণ্ট জ'ন ঘোষণা কৰি বন্ধ কৰি দিছে।

## স্কুল-কলেজ খোলাৰ পাছতে ভয়ংকৰ হৈ পৰিছে ক'ভিড পৰিস্থিতি

ৰঙিলী বাৰ্ত্তাসেৱা- স্কুল-কলেজ খোলাৰ পাছতে ভয়ংকৰ হৈ পৰিছে ক'ভিড পৰিস্থিতি। আকৌ ক্ৰমান্বয়ে বাঢ়িছে ক'ভিডৰ সংক্ৰমণ। পৰ্য্যায়ক্ৰমে বিদ্যালয়সমূহ খোলাৰ পাছতে এনে পৰিস্থিতিৰ সৃষ্টি হোৱাত পুনৰ আতংকৰ সৃষ্টি হৈছে। মঙলদৈৰ জ্ঞান বিকাশ একাডেমী চিনিয়ৰ চেকেণ্ডাৰীত ক'ভিডে লৈছে ভয়াৱহ ৰূপ। কলেজখনৰ ২২ গৰাকী ছাত্ৰ ছাত্ৰীৰ দেহত পোৱা গৈছে কভিড ভাইৰাছ। জ্ঞান বিকাশ একাডেমীৰ শিক্ষক-ছাত্ৰ ছাত্ৰীকে ধৰি ১৬৫ গৰাকীক পৰীক্ষা কৰোৱা হৈছিল। তাৰে ভিতৰত ২২ গৰাকী ছাত্ৰ-ছাত্ৰীৰ দেহত পোৱা যায় ক'ভিড পজিটিভ। ২২ গৰাকী ছাত্ৰ-ছাত্ৰীৰ দেহত ক'ভিড পজিটিভ পোৱাৰ পাছতে দৰং জিলা প্ৰশাসনে ৭ দিনলৈ জ্ঞান বিকাশ একাডেমী বন্ধ কৰাৰ নিৰ্দেশ দিয়ে।

# ক'ভিডৰ বাবে কেইবাখনো শিক্ষানুষ্ঠানক কনটেইনমেণ্ট জন' ঘোষণা



ৰঙালী বাৰ্ত্তাসেৱা- পুনৰ বন্ধ হ'ব নেকি শিক্ষানুষ্ঠান ? ক'ভিডৰ বাবে কেইবাখনো শিক্ষানুষ্ঠানক কনটেইনমেণ্ট জন' ঘোষণা। ক'ভিডৰ পাছত দীৰ্ঘদিন বন্ধ হৈ থকা শিক্ষানুষ্ঠানসমূহৰ পাঠদান আৰম্ভ কৰা হৈছিল যদিও ইখনৰ পাছত সিখন বিদ্যালয়ত ক'ভিড সংক্ৰমণ হোৱাত এতিয়া অভিভাৱক সকলো চিন্তিত হৈ পৰিছে। বৃহস্পতিবাৰে গুৱাহাটী মহানগৰত দুখন শিক্ষানুষ্ঠানক কণ্টেইমেণ্ট জ'ন ঘোষণা কৰা হৈছে। কামাখ্যা হাইস্কুলত প্ৰধান শিক্ষকৰ উপৰিও গাড়ীগাওঁ বালিকা মোক্তাবৰত তিনিগৰাকী শিক্ষক ক'ভিডত আক্ৰান্ত হোৱাত প্ৰশাসনে এই পদক্ষেপ গ্ৰহণ কৰে। মহানগৰত দুখনকৈ বিদ্যালয় কামৰূপ জিলা প্ৰশাসনে ক'ভিড সংক্ৰমণৰ বাবে কণ্টেইমেণ্ট জ'ন ঘোষণা কৰি বন্ধ কৰি দিয়াৰ পাছত চাবুৱাতো অসম বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয় নামৰ শিক্ষানুষ্ঠানখন ৭ দিনৰ বাবে বন্ধ ঘোষণা কৰিছে স্কুল পৰিদৰ্শকে ।উক্ত বিদ্যালয়খনত ৪ জন শিক্ষক আৰু ৮ জন ছাত্ৰ দেহত ক'ভিড ধৰা পৰাৰ পাছতেই ডিব্ৰুগড় জিলা স্কুল পৰিদৰ্শকে এই নিৰ্দেশ জাৰি কৰে।

## ২০২১ ৰ ১০ মে'লৈ সচিবালয়ত পৰি

যিসকল লোকৰ ফাইল নিষ্পত্তি নোহোৱাকৈ পৰি ৰৈছে, তেওঁলোকে ফাইল নম্বৰ দি বিষয়টো অৱগত কৰিব পাৰিব। সেয়াই নহয়, জনতা ভৱনৰ বাহিৰত এজন লোক নিয়োজিত হ'ব, যিজন লোকৰ হাতত নিষ্পত্তি নোহোৱা ফাইলৰ নম্বৰ তুলি দিব পৰা যাব। তেওঁ পুনৰ কয়- এতিয়াৰে পৰা ফাইলৰ কাম লৈ সচিবালয়লৈ অহাৰ প্ৰয়োজন নাই। পূৰ্বে একোটা ফাইল নিষ্পত্তিকৰণৰ নামত সাধাৰণ লোকৰ যথেষ্ট হাৰাশাস্তি হৈছিল। দুখীয়া লোকে প্ৰশাসনৰ ওপৰত এনে হাৰাশান্তিৰ বাবে বিশ্বাস হেৰুৱাই পেলাইছে। বিশ্বাস ওভতাই অনাৰ বাবে আমি এই ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰিছোঁ।

# অসমৰ শিৱাংগী শৰ্মাৰ ছিনিয়ৰ ৰাষ্ট্ৰীয় একুৱেটিক চেম্পিয়নশ্বিপত তৃতীয়টো স্বৰ্ণ পদক অৰ্জন

ৰঙালী বাৰ্ত্তাসেৱা- বাংগালুৰুত অনুষ্ঠিত হোৱা ৭৪ সংখ্যক ছিনিয়ৰ ৰাষ্ট্ৰীয় একুৱাটিক চেম্পিয়নশ্বিপত অসমৰ ছুইমিং তাৰকা শিৱাংগী শৰ্মাই তৃতীয়টো স্বৰ্ণ পদক অৰ্জন কৰে। বাংগালুৰুত সামৰণি পৰা প্ৰতিযোগিতাখনত ২০০ মিটাৰ ফ্ৰী ষ্টাইল ইভেণ্টত চমকপ্ৰদ প্ৰদৰ্শনেৰে শিৱাংগীয়ে অসমৰ হৈ স্বৰ্ণ জয় কৰে। তেওঁ ২ মিনিট ৭.১০ ছেকেণ্ডত প্ৰথম স্থান অধিকাৰ কৰি সোণৰ পদকৰ গৰাকী হয়। ইয়াৰ পূৰ্বে শিৱাংগীয়ে ১০০ মিটাৰ ফ্ৰী ষ্টাইল আৰু ৪০০ মিটাৰ ফ্ৰী ষ্টাইলত স্বৰ্ণ জয় কৰিছিল। প্ৰতিযোগিতাখনৰ অন্তিম দিনা অসমৰ আস্থা চৌধুৰীয়ে ১০০ মিটাৰ বাটাৰ ফ্লাইত ৰূপৰ পদক জয় কৰিবলৈ সক্ষম হয়। আস্থাই ৰ মিনিটত ৩.৮৩ ছেকেণ্ডত তেওঁ এই সফলতা অৰ্জন কৰিবলৈ সক্ষম হয়।

# ১৫ নৱেম্বৰৰ পৰা দহ লাখ লোকক টাৰ্গেট কৰি গাঁৱে গাঁৱে ভেকচিন দিয়া হ'বঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব





ৰঙিলী বাৰ্ত্তাসেৱা- খানাপাৰা ষ্টাফ কলেজত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সংবাদমেল সম্বোধন। সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা। তীব্ৰতৰ হ'ব ভেকচিন প্ৰদানৰ কাম। ১৫ নৱেম্বৰৰ পৰা গাঁৱে গাঁৱে প্ৰদান কৰা হ'ব ক'ভিডৰ ভেকচিন। ১০ নৱেম্বৰৰ পৰা ঘৰে ঘৰে যাব চিকিৎসা কৰ্মী। বয়স্কসকলে ঘৰৰ পৰা ওলাই আহি ভেকচিন ল'ব বিচৰা নাই ।সেয়ে অহা ৰপ্ত নৱেম্বৰৰ পৰা দহ লাখ লোকক টাৰ্গেট কৰি গাঁৱে গাঁৱে ভেকচিন দিয়া হ'ব। অহা ১০ তাৰিখৰ পৰা সাত দিনীয়াকৈ এই ভেকচিনেচন অভিযান চলোৱা হ'ব। দুই কোটি লোকক ভেকচিন দিয়াত যেনেকৈ অভিযান চলোৱা হৈছিল তেনেকৈয়ে দিয়া হ'ব। নৱেম্বৰৰ ভিতৰত ভেকচিন দি শেষ কৰিব লাগিব। **১৫** জানুৱাৰীৰ ভিতৰত দুয়োপালি ভেকচিন দি শেষ কৰা হ'ব। এই মাহত দ্বিতীয় পালি ভেকচিন এক কোটি লোকক দিয়াৰ দিহা কৰা হৈছে। ইতিমধ্যে ২ কোটি ৭৬ লাখ লোকক প্ৰথম ড'জ ভেকচিন প্ৰদান কৰা হৈছে। আমাৰ টাৰ্গেট দুই কোটি দহ লাখ আছিল। আমি টাৰ্গেটৰ ওপৰত গৈছো।

# হেকাৰ আৰু হেকিং (Hackers and hacking )

**হিমাদ্ৰী বৰকটকী**

বৰ্ত্তমান ডিজিটেল যুগত উপৰুক্ত শিৰোনামাৰ শব্দ দুতি বহল ভাবে প্ৰচলিত । ডিজিটেল জগতৰ লগত জড়িত হয়তো প্ৰতিজন লোকৰ এই শব্দ দুটাৰ ওপৰত সীমিত ভাৱে হ'লেও সম্যক জ্ঞান আছে । বৰ্তমানৰ আধুনিক জগতৰ সৃষ্টি হ'ল এই দুটা শব্দ ।

হেকাৰ সকল হ'ল, আনৰ কম্পিউটাৰ বা ডিজিটেল আহিলাৰ ভিতৰত থকা সুৰক্ষা বেহু ভেদ কৰি এই মাধ্যমত সঞ্চিত তথ্য চুৰি কৰা ব্যক্তিসকল । লগতে আপোনাৰ গোপনীয় তথ্য সমূহ লৈ এইবোৰ ব্যৱহাৰ কৰি বে - আইনী কাম কাছ চলাই যোৱাটোকে হেকিং কৰা বুলি কোৱা হয় ।

এই অপৰাধ সমূহ চাইবাৰ ক্ৰাইম (Cyber crime) বুলিও কোৱা হয় ।

এই চাইবাৰ ক্ৰাইম সংঘটিত হয় যি খণ্ডত ডিজিটেল মাধ্যম বা আহিলা ব্যৱহাৰ কৰা হয় ।

উল্লেখিত হেকাৰ সকল সাধাৰণতে একো একোজন মেধাৱী ব্যক্তি হয়। তেওঁলোকে বিভিন্ন কৌশল অৱলম্বন কৰি আনৰ তথ্য হাত কৰি লয়। তেওঁলোকে ইয়াৰ বাবে ভিন্ন ধৰণৰ কৌশল আয়োগ কৰে ।

ইয়াত বিভিন্ন ডিজিটেল মাধ্যম ব্যৱহাৰ হোৱা খণ্ডত চাইবাৰ ক্ৰাইম সংঘটিত হয় যদিও, কেৱল আমাৰ হাতে হাতে থকা মবাইল ফোনৰ জৰিয়তে কি ধৰণে চাইবাৰ ক্ৰাইম সংঘটিত হয়, কেৱল তাৰ বিষয়েহে আলোচনা কৰা হৈছে ।

বৰ্তমান সময়ত আমাৰ হাতত থকা মবাইল জৰিয়তে ঘৰতে বহিয়েই আমাৰ দৈনন্দিন জীৱনৰ বহু সমস্যা সমাধান কৰিব পাৰো । বৰ্তমান সময়ত ইন্টাৰনেটৰ সহায়ত আমি অৰ্থনৈতিক কাম কাছ সমূহ নগদ বিহীন ভাবে কৰিব পৰা হৈছো। ইয়াৰ জৰিয়তে ঘৰত বহিয়েই বিভিন্ন জনৰ বেংক একাউণ্টলৈ টকা পইচা পঠিওৱাৰ উপৰিও বিভিন্ন বিল পৰিশোধ কৰাৰ লগতে নগদধন নোহোৱাকৈ বিভিন্ন বস্তু ক্ৰয়ো কৰিব পাৰো ।কিন্তু হেকাৰচ সকলে বিভিন্ন কৌশল কৰি অবলম্বন আপোনাৰ বেংক একাউন্টৰ পিন নম্বৰ বা পাছৱৰ্ড হস্তগত কৰি আপোনাৰ সঞ্চিত ধন লুণ্ঠন কৰিব পাৰে । উদাহৰণ স্বৰূপে নিজকে আপোনাৰ বেংকৰ কৰ্মচাৰী বুলি পৰিচয় দি ফোন কৰি আপোনাৰ পৰা এই পিন নম্বৰ বা পাছৱৰ্ড হস্তগত কৰিব পাৰে ।ইয়াৰ বাবে আপোনাৰ ATM বা ডেবিট কাৰ্ড নৱীকৰণৰ বাবে এই পাছৱৰ্ড বা পিন নম্বৰৰ প্ৰয়োজন বুলি কব পাৰে।

ন'হলে আপোনাৰ এ-টি-এম বা ডেৱিট বা ক্ৰেডিট কাৰ্ড বন্ধ হৈ যোৱাৰ ভাবুকি দিয়ে ।যদি আপুনি চলাহী কথাত ভোল গৈ আপোনাৰ গোপনীয় তথ্য সমূহ দি দিয়ে তেনেহ'লে আপোনাৰ বেংক একাউন্টৰ সমস্ত ধন সেই হেকাৰচৰ একাউণ্টলৈ গুচি যোৱাৰ প্ৰবল সম্ভাৱনা থাকে । আনহাতেদি আপোনাৰ মবাইলত আপুনি বেংক একাউণ্ট খোলা সময়ত আপুনি বেংকত জমা দিয়া পৰিচয় পত্ৰ (kyc) নৱীকৰনৰ বাবে মেচেজ প্ৰেৰণ কৰে আৰু নৱীকৰনৰ বাবে এটা লিংক কো প্ৰেৰণ কৰে । যদি আপুনি এই লিংক ত ক্লিক কৰে, জানিব আপোনাৰ গোপন তথ্য হেকাৰচৰ হাতলৈ গৈছে ।

গতিকে এনেকুৱা ফোন কল বা মেছেজক কেতিয়াও গুৰুত্ব নিদিব। তাৰ সলনি আপোনাৰ নিৰ্দিষ্ট বেঙ্কৰ লগত প্ৰত্যক্ষভাৱে যোগাযোগ কৰক।

হেকাৰচ সকলৰ আৰু দুটা মবাইল এপৰ ওপৰত তীক্ষ্ণ চকু থাকে। সেই দুটা হ'ল ফেইচবুক

(আঠপৃষ্ঠাত চাওক)

# সকলোৰে সুখী হওঁ আহক

কবিতা শৰ্মা

আমি সকলোৰে জীৱনত সুখ বিচাৰোঁ। সুখী হব বিচাৰোঁ। কিন্তু সুখী হব নোৱাৰো। কাৰণ আমি আচলতে সুখী হবই নাজানো-অসুখী মানুহৰ সৰল সংজ্ঞাটোৰেই এইয়া। তেতিয়াহলে সুখ কি? সুখৰ সংজ্ঞাইবা কি? সুখৰ কোনো নিৰ্দ্দিষ্ট সংজ্ঞা নাই। ব্যক্তি বিশেষে সুখৰ পৰিভাষাও ভিন্ন। "মই সুখী হব পৰা নাই -মোৰ ইটোৰ পিছত সিটো সমস্যা, এটা সমস্যাৰ সমাধান নহওঁতে আন এটা সমস্যা আহি পৰে। সুখ মোৰ কপালতে নাই!"এনে একে ধৰণৰ বাক্য আমি বহুজন মানুহৰ মুখত প্ৰায়েই শুনা পাওঁ। এই হতাশাবোধ এক প্ৰকাৰৰ মানসিক ৰোগ।এই হতাশাবোধে নিজৰ লগতে চৌপাশে থকা মানুহবোৰৰ মনলৈ অশুভ চিন্তা কঢ়িয়াই নিয়ে। বিয়পাই negative vibration! সমস্যা সকলোৰে জীৱনলৈ আহে। পৃথিৱীত এনে এজন মানুহ নোলাব, যাৰ কোনো সমস্যাই নাই। কিন্তু সমস্যা আহে সমাধানৰ বাবে। সমস্যা একোটা আগত লৈ দুখেৰে সময় অতিবাহিত কৰিলে সমস্যাৰ সমাধান নহয়। প্ৰতিটো সমস্যাকে সমস্যা বুলি নাভাবি, একো একোটা দায়িত্ব বুলি ভাবি নিয়াৰিকৈ সমাধান কৰাৰ বাট বিচাৰিলে এদিন সমস্যাৰ সমাধান হবই।

সুখী হবৰ কাৰণে মানুহক অজস্ৰ টকা-পইচা, নাম-যশ, খ্যাতিৰ প্ৰয়োজন নাই। জীৱন-যোৰা ঐশ্বৰ্যইও মানুহক সুখী কৰিব নোৱাৰে। সুখী হবৰ কাৰণে মানুহক এটা তেনেই সহজ সৰল জীৱনেই যথেষ্ট। কিন্তু আমি যদি নিজেই নিজৰ জীৱনটো জটিলৰ পৰা জটিলতৰ কৰি তোলো, আমি সুখী হম কেনেকৈ? আমি সুখী হব নোৱাৰাৰ এটা কাৰণ হ'ল- আমাৰ মনৰ মাজত চলি থকা লাভ -লোকচানৰ অঙ্ক বোৰ! কিছুমান অবান্তৰ প্ৰশ্ন আমি নিজৰ লগতে আনকো সুধি থাকো। আমাৰ যদি কিবা বিশেষ বিষয়ত মনযোগ আৰু বুৎপত্তি থাকে তেতিয়া সেইজনক প্ৰশ্ন সুধো-"তুমি গান গাইছা, নাচিছা, নাটক কৰিছা, গল্প-কবিতা লিখিছা তাতে কি লাভ? ফুলৰ বাগিছা কৰিছা কি লাভ? ইমান দেৰী সেই মানুহবোৰৰ লগত কথা পাতিলা, তোমাৰ কি লাভ হ'ল? ঠিক আছে মানিলো একো লাভ নাই! সকলো ফালে কেৱল লোকচানেই লোকচান-সময়,



শক্তি, টকা-পইচা সকলো! কিন্তু লোকচানৰ ভয়ত, এনেয়ে খাই-বৈ, শুই-বহি মৃত্যুৰ বাবে অপেক্ষা কৰাতেই বা কি লাভ? যি কাম কৰি আত্ম সন্তুষ্টি লাভ কৰা যায বা অলপ হলেও আন দুজনৰ লাভ হয়- সেয়ে জানো সুখ নহয়? সুখী হব নোৱাৰাৰ আন এটা বিশেষ কাৰণ হ'ল— মানুহৰ আত্মশ্লাঘা (ego)। মই এজন চিকিৎসক, মই এজন ইঞ্জিনিয়াৰ, মই এজন ডাঙৰ বিষয়া, মই অমুক, মই তমুক এই ভাববোৰ! এই মানুহ জনৰ লগত মই কিমান কথা পতা উচিত? মই তেওঁৰ লগত ইমানকৈ হঁহা ভাল কথা নহয়, মই তেওঁলোকৰ লগত কিমান কথা শ্বেয়াৰ কৰিম, ইত্যাদি, ইত্যাদি। অৰ্থাত আকৌ অঙ্ক! য'ত আন্তৰিকতা, ভালপোৱা, সহৃদয়তা, মৰম-চেনেহৰ হিচাপ-নিকাচ হয়, তাত সুখৰ প্ৰশ্নই অবান্তৰ। সুখী হোৱাৰ কৌশল তেনেই সহজ কিন্তু আমি অনাহকতে তাক জটিল কৰি পেলাওঁ। সুখ এনে এটা বস্তু নহয়যে কোনোবাই আমাক হাতত তুলি দিব।আমি যেতিয়া কাৰোবাৰ কাৰণে কিবা এটা কৰোঁ, তাৰ প্ৰতিদান বিচাৰো আৰু নাপালে অসুখী হৈ পৰো। প্ৰতিজন মানুহৰ জীৱন -দৰ্শন, জীৱনটোক চোৱাৰ দৃষ্টিভঙ্গী, বিচাৰ বিবেচনা বেলেগ, সুখৰ উৎসও বেলেগ। আনকি আমি একেলগে বাস কৰা মানুহবোৰৰো প্ৰয়োজন, সুখৰ উৎস একে নহবও পাৰে। সেইবুলি সম্পৰ্ক বা অধিকাৰৰ দোহাই দি, চিঞৰ-বাখৰ কৰি বেলেগক দুখী কৰিবহে পাৰি, নিজৰ সুখ দাবী কৰিব নোৱাৰি। সুখী আমি এই কাৰণেই নহওঁ যে, জীৱনত পোৱা সৰু সৰু সুখবোৰক উপেক্ষা (ignore) কৰি কেতিয়াবা পাবলগীয়া অনিশ্চিত এক ডাঙৰ সুখৰ বাবে আমি অপেক্ষা কৰি থাকো। সেই ডাঙৰ সুখ জানো কেতিয়াবা আহে ? সেইকাৰণে এই ক্ষন্তেকীয়া জীৱনত সুখী হোৱাৰ একমাত্ৰ উপায় হ'ল -জীৱনলৈ অহা সৰু সৰু সুখবোৰ উপভোগ কৰা, জীৱনলৈ অহা প্ৰত্যাহ্বান বোৰৰ

(আঠপৃষ্ঠাত চাওক)

# ভাওনা : এক অনুভৱৰ গাঁথা

কৰবী ভুঞা
গোলাঘাট

" A nation without a cultural heritage is an like an orphan who has nothing to feel capon..."
– R.W.Emerson



সমাজ এখন সুস্থভাৱে ব্ৰতি থাকিবলৈ নিজস্ব সাংকৃতিক পৰম্পৰা অতিশয় প্ৰয়োজনীয়। অসমীয়া জাতিক বিশ্ব দৰবাৰত তুলি ধৰা বহু কৰ্মৰ ভিতৰত মহাপুৰুষ দুজনাৰ অমৰসৃষ্টি ভাওনাৰ প্ৰাসংগিকতা উল্লেখযোগ্য। অপসংস্কৃতি বিনাশ কৰি সুন্দৰৰ সাধনাৰে বৈকুণ্ঠৰ পৰা বোৱাই আনিছিল সংস্কৃতিৰ বন্যা। সৰ্বকালৰ শ্ৰেষ্ঠ কলাকাৰ মহাপুৰুষ শংকৰদেৱে নৱ-বৈষ্ণৱ ভক্তি আন্দোলনৰ মূল আহিলা হিচাপে ভাওনাক বাছি লৈছিল। গুৰুজনাৰ হাতত সৃষ্টি হোৱা অংকীয়া নাটসমূহৰ উদ্দেশ্য আছিল একতা এনাজৰীৰে সকলোকে বান্ধি ৰখা। "ধন্য নৰতনু ভাল" চিৰশ্বাশ্বত বাণী সাৰোগত কৰি একোজন প্ৰকৃত মানুহ গঢ় দিয়াৰ প্ৰয়াস কৰিছিল। এক কথাত ভাওনা হৈছে বিভিন্ন শিল্প গুণৰ এক গতিশীল মাত্ৰা।


নাটক হৈছে সৰ্বশাস্ত্ৰ। শিল্প, কৰ্ম সমিলমিলেৰে সৃষ্ট হোৱা এক কলা । এই কলাক দৰ্শনৰ হকে দিয়া দৃশ্য- শ্ৰব্য মাধ্যমেই হৈছে অভিনয়। ভাওনা হৈছে মহাপুৰুষজনাৰ মহত্বপূৰ্ণ উদ্দেশ্যৰ এক মনোৰঞ্জন ধৰ্মী কাৰ্য। ভাওনা মূলতঃ নৃত্য, গীত আৰু অভিনয়ৰ মাজেৰে দৰ্শক শ্ৰোতাৰ মন জয় কৰি বিমল আনন্দ প্ৰদান কৰা উপকৰণ। নৱৰসৰ সমাহাৰৰ মাজেৰে অসমীয়া সমাজৰ কু-সংস্কাৰ, অন্ধবিশ্বাস আদি কবলৰ পৰা উদ্ধাৰ কৰা এক উদ্ধমুখী গতি। ভাস্কৰ্য, স্থাপত্য কলাৰ মাজেদি চিহ্নযাত্ৰা চিত্ৰপট অংকনৰ যোগেদি সুকুমাৰ কলাৰ বিকাশৰ পথ প্ৰশস্ত কৰিছিল। গ্ৰীক দাৰ্শনিক এৰিষ্ট'টলৰ মতে —" কলা বুলিলে অনুকৰণক বুজায়"। সেয়ে ভাওনা এবিধ কলা অনুকৰণলব্ধ উপস্থাপনৰ এক অনন্য ৰূপ।

সময় পৰিবৰ্তনশীল। গতিশীল সময়ৰ ধামখুমীয়াত সমাজৰ প্ৰতি দিশতে আধুনিকতাৰ বতাহে চুই গ'ল। শৈশৱ, কৈশোৰ আৰু যৌৱনৰ সোনালী দিনবোৰ আলোড়িত কৰিছিল আমাৰ গাঁৱৰ নামঘৰত অনুষ্ঠিত হোৱা প্ৰতিখন ভাওনাই। বছৰত কমেও দুবাৰকৈ আমাৰ গাঁৱৰ সকলো মিলি এই সৃষ্টিশীলতাৰ ভাওনা অনুষ্ঠিত কৰিছিল। ভাওনা আখৰা পৰ্বৰপৰাই

(পাঁচপৃষ্ঠাত চাওক)

# ইতিহাস প্ৰসিদ্ধ নেঘেৰিটিং শিৱদৌল

ৰাজলক্ষ্মী বৰঠাকুৰ,
গোলাঘাট



আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত নেঘেৰিটিং শিৱদৌল প্ৰতিষ্ঠা হৈছিল। আহোম স্বৰ্গদেউ প্ৰতাপ সিংহই দেৰগাঁৱৰ গেলাবিল নৈৰ কাষত মহাদেৱৰ এটা মন্দিৰ নিমাৰ্ণ কৰিছিল। এই মন্দিৰ নদীৰ পানীয়ে খহাই নিয়াত স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই ১৬৮৭ শকত নেঘেৰিটিংৰ টিলাৰ ওপৰত নেঘেৰিটিং শিৱ মন্দিৰ প্ৰতিষ্ঠা কৰে। লোক প্ৰবাদ মতে টিলাটোৰ ওপৰত নেঘেৰি চৰাইৰ খোৰোং আছিল বাবে ইয়াৰ নাম নেঘেৰিটিং ৰখা হয়। দেৰগাঁৱৰ শিৱদৌলৰ ঐতিহ্যপূৰ্ণ বৈশিষ্ট আছিল দেৱদাসী নৃত্য। এই নৃত্য কৰা সকলক "নটী" বোলা হৈছিল। চিনাতলীয়া নটৰ জীয়ৰী ফুলমতী দেৰগাঁৱৰ নটী আছিল। ফুলমতীৰ নৃত্যত মুগ্ধ হৈ স্বৰ্গদেউ শিৱসিংহই ৰাজকাৰেংলৈ নি ফুলশ্বৰী কুঁৱৰী আৰু প্ৰমথেশ্বৰী নাম দি বৰৰজা উপাধিৰে অসমৰ ৰানী পাতিছিল। দেৰগাঁওৰ পৰা পূৱ ফালে ছয় কি:মি: মান আঁতৰত এক সুন্দৰ প্ৰাকৃতিক পৰিবেশৰ মাজত নেঘেৰিটিং দৌল অৱস্থিত

(আঠপৃষ্ঠাত চাওক)

# সাম্প্ৰতিক সময়ত বিশ্ব সংস্কৃতি আৰু ধৰ্মৰ সম্পৰ্ক

ফখৰুদ্দিন আহমেদ

বিশ্বত সকলোবোৰ ধৰ্ম তিনিটা শিক্ষনীয় বিষয়বস্তুৰ ওপৰত প্ৰধানকৈ প্ৰতিষ্ঠিত। সেই তিনিটা বিষয়বস্তু হ'ল সৃষ্টিকৰ্তাৰ প্ৰতি আনুগত্য, নিজৰ আত্মাক পৰিচালিত কৰিবলৈ বিবেক আৰু সৎ ভাবে উপাৰ্জন কৰিবলৈ কৰ্মময় জীৱন । সকলো ধৰ্মৰ ধৰ্ম প্ৰচাৰক সকলৰ জীৱন পৰিক্ৰমা, ধৰ্ম গ্ৰন্থ আৰু ধৰ্মপ্ৰচাৰক সকলৰ প্ৰত্যক্ষ অনুসৰনকাৰী সকলৰ কৰ্মময় জীৱন কালত ওপৰোক্ত তিনিওটা বৈশিষ্ট্যৰ পূৰ্ণ প্ৰতিফলন দেখিবলৈ পোৱা যায়। ধৰ্মগ্ৰন্থ সমূহ হৈছে পাৰ্থিব জীৱনৰ পাথেয় আৰু মৃত্যুৰ পৰৱৰ্তী কালৰ মুক্তিৰ উৎস। এই কাৰণ বিলাক প্ৰস্ফুটিত কৰাৰ স্বাৰ্থত বিশ্বৰ সকলো প্ৰান্তত সৰ্বকালৰ বাবে প্ৰযোজ্য হয় ধৰ্ম বিলাকৰ একেখিনি আচৰন বিধি। উক্ত দিশবোৰৰ বাবেই সাম্প্ৰতিক সময়তেই নহয় অতীতৰ পৰা ধৰ্ম বিশ্ব সংস্কৃতিৰ অভিন্ন অংগ হৈ আছে।

প্ৰত্যেক ধৰ্মৰে কিছুমান দাবী আছে। ভিন ভিন ধৰ্মৰ উৎপত্তি বিশ্বৰ ভিন ভিন দেশত হৈছে। সনাতন ধৰ্মৰ মূল উৎপত্তি স্থল প্ৰধানকৈ অবিভক্ত ভাৰতবৰ্ষ। চাৰি বেদৰ উপৰিও ভাৰতীয় দুই বিখ্যাত মহাকাব্য ৰামায়ন আৰু মহাভাৰতৰ মহান চৰিত্ৰ সমূহৰ দুই প্ৰধান চৰিত্ৰ ৰাম আৰু কৃষ্ণ সনাতন ধৰ্মৰ ভগৱানৰ দশাৱতাৰৰ দুটা অৱতাৰ। কেৱল ভাৰতবৰ্ষতেই নহয় বিশ্বৰ প্ৰায় সকলো দেশতে এই সনাতন ধৰ্মৰ ধৰ্মাৱলম্বী লোকে বসবাস কৰি আছে।

ইছলাম ধৰ্মৰ উদ্ভৱ, বিকাশ আৰু বিস্তাৰৰ লগত আদি মানব আদম আৰু ইভ শচহাৱাগ্ৰ ৰ পৰা শেষ নবী আৰু ৰছুল হজৰত মহম্মদ ছঃ লৈকে অৰ্থাৎ ৬৬৩ খ্ৰীষ্টাব্দলৈকে বিয়পি আছে। এইইছলাম ধৰ্মৰ সমগ্ৰ বিশ্বত প্ৰায় ৫৭ খন ইছলামিক দেশ থকাৰ উপৰিও বিশ্বৰ আন শতাধিক দেশত ইছলাম ধৰ্মাৱলম্বী লোক আছে।

বিশ্বৰ বেছি সংখ্যক ধৰ্মাৱলম্বী লোক থকা খ্ৰীষ্টান ধৰ্মৰ লোকেৰে পশ্চিমীয়া বিশেষকৈ ইউৰোপীয়ান দেশবোৰ ভৰি আছে। প্ৰচাৰক যিশুক অনুসৰন কৰা খ্ৰীষ্টান ধৰ্মৰ পৱিত্ৰ স্থান হৈছে বিশ্বৰ আটাইতকৈ ক্ষুদ্ৰ দেশ ভেটিকান চিটি। ভাৰতবৰ্ষত মুছলমান আৰু খ্ৰীষ্টান সকল সংখ্যাগত ভাবে সংখ্যালঘু। ইয়াৰ উপৰিও চীনৰ কনফুচিয়ান ধৰ্ম, জেৰুজালেমৰ ইহুদী ধৰ্ম, গয়াৰ বুধিবৃক্ষৰ তলত তপস্যা কৰি পুৰ্নজ্ঞান প্ৰাপ্ত বুদ্ধ দেৱৰ অনুসৰনকাৰী ম্যানমাৰ, চীন, তীব্বত, শ্ৰী লংকা আৰু ভাৰতবৰ্ষৰ উপৰিও বিশ্বৰ আন আন দেশতো আছে। গুৰু নানকৰ শিখ ধৰ্ম, মহাবীৰ জৈনৰ জৈন ধৰ্মৰ লগতে আন আন ধৰ্মৰ অনুসৰনকাৰী ভাৰত তথা বিশ্বত বিয়পি আছে।

বিশ্বৰ প্ৰাণীকুলৰ ভিতৰত একমাত্ৰ সাংস্কৃতিক ভাবে বসবাস কৰি আহিছে কেৱল মানুহে। সংস্কৃতি হৈছে মানুহৰ জীৱন পৰিক্ৰমাত কৰি অহা কৰ্মময় জীৱন । বিশ্বৰ প্ৰায় পছানবৈ শতাংশ মানুহেই ধৰ্মীয় ভাবে নিৰ্দিষ্টকৈ বিশেষ বিশেষ ধৰ্মৰে আন্তৰিক ভাবে জৰিত, সেয়ে ধৰ্মময় জীৱন কটোৱা এই মানুহৰ সমাজে ধাৰ্মিক দিশত ৰূপায়ন কৰি অহা কামবিলাক বিশ্ব সংস্কৃতিৰ অন্তৰ্ভুক্ত । সাম্প্ৰতিক সময়ৰ বিশ্বায়নৰ যুগত এই বিষয়টি বুজিবলৈ তেনেই উজু।

বিশ্বৰ সকলো স্বাধীন দেশৰ একো একোখন লিখিত নতুবা অলিখিত সংবিধান থাকে। বিশ্বৰ আটাইতকৈ তথ্যবহুল আৰু লিখিত সংবিধান থকা দেশখন হৈছে আমাৰ দেশ ভাৰতবৰ্ষ। উত্তৰ কোৰিয়া আৰু চৌদী আৰবৰ ৰ দৰে দেশত সাম্প্ৰতিক সময়তো ৰাজতন্ত্ৰ চলি আছে।

স্বাধীনতাৰ পিছত গৃহীত কৰা সংবিধান মৰ্মে আমাৰ দেশ ভাৰতবৰ্ষ বিশ্বৰ এখন আগশাৰীৰ গণতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষ দেশ। ইয়াত থকা ভিন ভিন ধৰ্মাৱলম্বী সকলে নিজৰ নিজৰ ধৰ্ম স্বাধীন আৰু স্বকীয় ভাবে পালন কৰিব পাৰে। এয়া ভাৰতবৰ্ষৰ নাগৰিক সকলৰ গণতান্ত্ৰিক অধিকাৰ। ভাৰতবৰ্ষৰ সংবিধান প্ৰদত্ত এই অধিকাৰ কোনও খৰ্ব কৰিব নোৱাৰে। লগতে আনৰ ধৰ্মীয় অধিকাৰ খৰ্ব কৰোতাজন সংবিধান বিৰোধী আৰু তেনে মানুহ দেশৰ শত্ৰু।

ধৰ্মৰ লগত আনুগত্য, বিবেক আৰু কৰ্ম বিশেষ ভাবে জৰিত যদিও সম্প্ৰতি আমাৰ অসমীয়া তথা ভাৰতীয় সমাজ ব্যৱস্থাত ৰাজনৈতিক নেতাৰ লগতে দুই এজন বিশেষ ব্যক্তিয়ে অনাহুত ভাবে দুটা বিষয়ক বিশেষ ভাবে জৰিত কৰি লোৱা দৃষ্টিগোচৰ হৈছে। সেই দুটা হ'ল ধৰ্মীয় আবেগ সৰ্বস্বতা আৰু আন বিশেষ ধৰ্মক কৰা কটু সমালোচনা।

সাম্প্ৰতিক সময়ত এই দুটা বিষয়ে ভাৰতবৰ্ষ তথা অসমৰ পৰিবেশ আৰু পৰিস্থিতি বিষময় কৰি তুলিছে। ধৰ্মীয় আফিঙৰ বিস্তৃতি আৰু যুৱ চামৰ জ্ঞানৰ দৈন্যতাৰ ফলশ্ৰুতিত চ'চিয়েল মেডিয়াৰ মজিয়াত সাম্প্ৰদায়িক সম্প্ৰীতি বিনষ্টকাৰী

(আঠপৃষ্ঠাত চাওক)

# আমাৰ সমাজৰ চৌপাশে সতকাই অনাদৃত- বাৰ্ধক্য

মানসী মিশ্ৰ

খবৰৰ জাপত পুৰণি খবৰবোৰ হেৰাই যায়। সংযোজিত হয় নতুন নতুন খবৰ। ইতিবাচক খবৰবোৰ পুৰণি হৈ গ'লেও মানুহৰ মানসিকতাত দীৰ্ঘদিনলৈ সুৰুচিপূৰ্ণভাৱ সৃষ্টি কৰি যায় আৰু নেতিবাচক খবৰবোৰেও বহুদিনলৈ আমাৰ হৃদয় আৰু আমাৰ মনত দুখবোধে চাপ পেলাই যায়। তথাপিও মানুহৰ মন অনবৰতে ন ন খবৰৰ সন্ধানত উৎসুক হৈ থাকে। সেয়েহে মানুহে নতুন খবৰৰ সন্ধানত হাতত তুলি লয় বাতৰি কাকতখন, বহি লয় টিভিৰ সমুখত। প্ৰায় প্ৰতিটো দিনৰ বাতৰি কাকতে সবিস্তাৰে প্ৰকাশ পায় বৃদ্ধ পিতৃ-মাতৃক নিজ পুত্ৰ কন্যাই আৰু পৰিয়ালৰ লোকে শাৰীৰিকভাৱে অপদস্ত কৰি ঘৰৰ পৰা উলিয়াই দিয়াৰ সকৰুণ কাহিনী। কেইদিনমানৰ আগতে এখন দৈনিক বাতৰি কাকতৰ এনে এক বাতৰিত মোৰ দুচকু নিবদ্ধ হ'ল। আশীৰ উৰ্ধৰ এগৰাকী আইতাক নিজৰ পৰিয়ালৰ লোকে নলবাৰী জিলাৰ পদপথত নিশা অকলশৰে এৰি থৈ যোৱাৰ কৰুণ বাতৰি। আইতাগৰাকী ৰুগীয়া অৱস্থাত আছিল। এগৰাকী মানৱ দৰদী সাংবাদিকে কথাটো গম পাই তেখেতক তাৰ পৰা উঠাই নি পোনে পোনে চিকিৎসালয়ত ভৰ্তি কৰাইছে। চিকিৎসালয়ত সুস্থ কৰি তুলি তেখেতক নিজৰ ঘৰত আশ্ৰয় দিছে। কিছুদিনৰ আগতে পাইছিলো এক দুঃসংবাদ য'ত হাজো অঞ্চলত নিজ পুত্ৰই চোকা অস্ত্ৰৰে নিজৰ মাতৃক আঘাত কৰিছিল। সংকটজনক অৱস্থাত তেওঁক চিকিৎসালয়ত ভৰ্তি কৰিবলগীয়া হৈছিল। আজিৰ পৰা তিনি চাৰিমাহ আগতে শিৱসাগৰ নগৰত অসমৰ শিল্পীসমাজৰ অসমৰ এক উজ্জ্বল তাৰকাই জীৱনৰ বিয়লি বেলাত নিজৰ একমাত্ৰ পুত্ৰ বোৱাৰীৰ অকথ্য শাৰীৰিক, মানসিক আচৰণত অতিষ্ঠ হৈ আত্মহননৰ দৰে পথ বাচি লৈছিল নিজ পত্নীৰ সৈতে। অসমৰ সাংস্কৃতিক জগতৰ এক চিনাকী নাম, ভ্ৰাম্যমান থিয়েটাৰৰ প্ৰযোজক, পৰিচালক, এসময়ৰ প্ৰতিষ্ঠিত ব্যৱসায়ী এই ব্যক্তিজনে নিজৰ পৰিয়ালতে পুত্ৰৰ দ্বাৰা প্ৰতাৰিত হৈ জীৱনৰ এই কঠোৰ সিদ্ধান্তটো বাচি ল'বলগীয়া হৈছিল। লাহ বিলাসত ব্যস্ত পুত্ৰই পিতৃ-মাতৃৰ খবৰ ল'বলৈ আহিবলৈ সময় উলিয়াব পৰা নাছিল। ইয়াৰ পৰিবৰ্তে দেউতাকক কেইবাবাৰো ৰাজহুৱা স্থানত শাৰিৰীক, মানসিকভাৱে অপদস্ত কৰিবলৈ অকনো কুণ্ঠাবোধ কৰা নাছিল। সেইবাবেই অসমৰ সামাজিক, সাংস্কৃতিক জীৱনৰ অক্লান্ত কৰ্মী এই ব্যক্তিজনে এই সুন্দৰ পৃথিৱীখনৰ পৰা বিদায় লৈছিল। আমাৰ সমাজত এনেধৰণৰ দুৰ্ভাগ্যজনক ঘটনা প্ৰায় প্ৰতিটো দিনতেই ঘটি আছে। শিৱসাগৰ নগৰতে আন এক অধ্যাপক পুত্ৰ বোৱাৰীৰ নিজৰ পিতৃ মাতৃৰ প্ৰতি চৰম অৱহেলা আৰু নিৰ্যাতনৰ কাহিনী সংবাদ মাধ্যমযোগে প্ৰকাশ পাইছিল। তেওঁৰ পিতৃয়ে নিজৰ আৰ্থিক দৰিদ্ৰতাক নেওচি নিজৰ একমাত্ৰ পুত্ৰক পঢ়াই শুনাই কলেজৰ অধ্যাপকৰূপে প্ৰতিষ্ঠিত কৰিলে। সেইজন পিতৃয়ে বৃদ্ধকালত তেওঁৰ পুত্ৰ বোৱাৰীৰ দ্বাৰা চৰম অৱহেলিত হৈ জীৱনৰ শেষ ক্ষণ গণনা কৰিবলগীয়া হৈছে। আমাৰ সমাজৰ আটাইতকৈ উপেক্ষিত হৈছে জীৱনৰ বাৰ্ধক্য কাল। কেইমাহমান আগতে উজনি অসমত সংঘটিত এনে এক কৰুণ বাতৰিয়ে সকলোকে শিহৰিত কৰিছিল। এজন ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত কৃতী শিক্ষক তথা এখন উঃ মাঃ বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষই নিজৰেই পুত্ৰ বোৱাৰীৰ মানসিক নিৰ্যাতনত অতিষ্ঠ হৈ ৰে'লৰ আলিলৈ আহি ট্ৰেইনৰ সমুখত জপিয়াই আত্মহননৰ পথ বাচি লৈছিল। এজন কৃতী শিক্ষকৰ জীৱনসত্বা নিমিষতে শেষ হৈ গৈছিল। এনে ধৰণৰ ঘটনা ৰাজ্যখনৰ চোকে-কোণে খুব সঘনাই ঘটিবলৈ লৈছে। বৰ্তমান সময়ত সংবাদ মাধ্যম যথেষ্ট সক্ৰিয় হোৱা হেতুকে বহু ঘটনা পোহৰলৈ আহে। বিশেষকৈ আজি প্ৰায় দহবছৰমান বৃদ্ধাৱস্থাত পিতৃ মাতৃ সন্তানৰ দ্বাৰা নিৰ্য্যাতিত হোৱাই নহয়, নিজৰ বাসগৃহ এৰি আহিবলগীয়া ঘটনাই সংঘটিত হৈছে আমাৰ ৰাজ্যৰ চৌপাশে। যোৱাটো বৰ্ষৰ শেষভাগতো টি.ভি. পৰ্দাত কেইবাটাও ঘটনা প্ৰত্যক্ষ কৰিছোঁ। এগৰাকী আশীৰ উৰ্ধৰ মহিলাই গুৱাহাটীৰ বৃদ্ধাশ্ৰম এটাত আশ্ৰয় লৈ আছিল। নলবাৰী জিলাৰ এটা ৰাজহুৱা আলিবাটত পৰিত্যপ্ত অৱস্থাত উদ্ধাৰ কৰি আনি গুৱাহাটীৰ বৃদ্ধাশ্ৰম এটাত আশ্ৰয় দিছিল। বৃদ্ধাশ্ৰমৰ কৰ্মকৰ্তা, সেৱক-সেৱিকা সকলৰ আদৰ যত্নত আইতাই কিছুদিন জীয়াই আছিল। এই পৃথিৱীৰ পৰা চিৰদিনৰ বাবে আঁতৰি যোৱাৰ আগমুহুৰ্ত্তত আশ্ৰম গৃহৰ কৰ্মকৰ্তা সকলৰ সহযোগত প্ৰচাৰ মাধ্যমযোগে আহ্বান জনাইছিল তেওঁৰ পৰিয়ালটোলৈ, যাতে তেওঁৰ মৰমৰ উমেৰে কোলাই বোকোচাই তুলি ডাঙৰ কৰা নাতি-নাতিনীসকলক এবাৰ চাবলৈ। বৈদ্যুতিক মাধ্যমযোগে এই আহ্বানমূলক বাতৰি এইবাদিনো ধৰি প্ৰচাৰ হৈছিল। কিন্তু ইমান কাতৰ অনুৰোধৰ পিছতো পৰিয়ালৰ কোনো এজন লোকে সেই নাতি-নাতিনীক এঘণ্টাৰ বাবেও তেখেতৰ কাষলৈ অনাৰ সময় নাপালে। মানুহ যে কিমান নিষ্ঠুৰ হ'ব পাৰে, নিজৰ জন্ম দিয়া সন্তানে যে সময়ত কিমান বৰ্বৰ হ'ব পাৰে, এই ঘটনাটো মনত পেলালে সকলো স্পষ্ট হৈ উঠে। সেয়ে এবুজা দুখ বুকুত বান্ধিয়েই অৱশেষত এই আইতাগৰাকী পৃথিৱীৰ পৰা চিৰদিনৰ বাবে আঁতৰি যায়। তেখেতৰ শেষকৃত্য শ্ৰদ্ধাদি আদি কৰ্ম সমাপন কৰাৰ দায়িত্ব এই আশ্ৰয় গৃহই লৈছিল। এইধৰণৰ সমস্যা আমাৰ সমাজত অতি ভয়াবহ হাৰত বৃদ্ধি পাইছে। এইটো আমাৰ সকলোৰে সমুখত বৰ্তমান এক ডাঙৰ প্ৰত্যাহ্বান। পিতৃ মাতৃৰ নিজৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত ল'ৰা-ছোৱালীক ডাঙৰ কৰিলে, সেই সন্তানে বাৰ্ধক্য অহাৰ লগে লগে পিতৃ মাতৃক আপদীয়া, অকৰ্মণ্য ব্যক্তি বুলি ভাবিবলৈ লয়। দিনটোৰ ২৪ ঘণ্টাৰ ভিতৰত মাত্ৰ এঘণ্টাও নিজৰ পিতৃ মাতৃৰ সৈতে কটাবলৈ সময় নহয়। আমি নিজকে একোটা যন্ত্ৰলৈ পৰিৱৰ্তন কৰিলোঁ নেকি যে যন্ত্ৰই আমাক যিফালে ঘূৰাই আমি সেইফালে ঘূৰিবলৈ ল'লোঁ। আধুনিকতা আৰু প্ৰযুক্তিৰ চমক প্ৰদত্যই আমাৰ মনবোৰ ইমান কৰ্কশ আৰু সংকুচিত কৰিলে নেকি যে সন্তানে পিতৃ মাতৃক ফুটপাথৰ আলহী কৰিবলৈকো অকণো কুণ্ঠাবোধ নকৰা হ'ল। এই বাঢ়ি অহা, ভয়াবহ সমস্যাটো সমাধা কৰিবলৈ আগবাঢ়ি আহিব লাগিব। কেৱল সংবাদ মাধ্যম অথবা

(আঠপৃষ্ঠাত চাওক)

# ভাওনা : এক অনুভৱৰ গাঁথা

আমাৰ মনবোৰ সাতখন আঠখন হৈ পৰিছিল। বুজি পোৱা নোপোৱা বসয়ৰ পৰাই ভাওনা প্ৰতি এক অবুজ টান আছিল। কিন্তু পৰিবৰ্তনে আমাৰ গাঁওসমূহতো বহুলভাৱে প্ৰভাৱ পেলায়। আধুনিকতাৰ পৰশত ভাওনাও হৈ পৰিল প্ৰতিযোগিতাৰ সমল। ভাওনা সংস্কৃতিত পৰম্পৰাগত সুৰ লয় আদিতো নতুনত্ব আহিল। সুস্থ পৰিবৰ্তন সকলোৰে কাম্য, মাথো বিকৃত আৰু অতিৰঞ্জিতাই আমাৰ সমাজ, সংস্কৃতিক হেয় কৰি তোলে। বিচাৰয্যোগ্য যে ব্যস্ততাৰ মাজত আগৰ দৰে এটা সম্পূৰ্ণ ৰাতি টোপনি খতি কৰিবলৈ আমি অসমৰ্থ, তথাপিও আমি আমাৰ সংস্কৃতিৰ বৰপেৰাটো সাধ্য, সময় অনুসাৰে মোকলাই চোৱা-চিতা কৰাটো আমাৰ কৰ্তব্য তথা দায়িত্ব।

সংস্কৃতি বোৱতি নদীৰ দৰে। একেদৰে ভাওনা সংস্কৃতি আৰু অসমীয়া সমাজৰ নিৱিড় সম্পৰ্কটো তুলনা বিহীন। প্ৰান্তত কাম্য কৰো নৱপ্ৰজন্মৰ প্ৰতিজনে আমাৰ সংস্কৃতিৰ মূল সুঁতিটোক হেৰাই যাবলৈ নিদি সগৌৰৱে সকলোতে বৰ্তাই নিয়াত নেতৃত্ব ল'লে আমিবোৰে সবল সংস্কৃতি ভৱিষ্যতৰ কাৰণে বৰ্তাই ৰাখিব পাৰিমহ'ক।

# মোক এক্সট্ৰা টেক্স নালাগেঃ পেট্ৰ'ল-ডিজেলৰ দাম বৃদ্ধি সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য

ৰঙিলী বাৰ্ত্তাসেৱা- নিত্য-ব্যৱহাৰ্য খাদ্য সামগ্ৰী, ইন্ধনজাত আৰু নিৰ্মাণ সামগ্ৰীৰ দাম বৃদ্ধিয়ে সাধাৰণ ৰাইজক টেঁটু চেপা দিছে যদিও ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ দায়িত্বশীল মহলৰ কাৰোৰে হাতত নাই সঠিক উত্তৰ। দাম বৃদ্ধি বিষয়টোৰ পৰা সকলোৱে কেৱল পলাব বিচাৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমত দাম বৃদ্ধি হোৱাৰ কথা স্বীকাৰ কৰিছে, কিন্তু সমাধানৰ সূত্ৰ দিয়া নাই। ইফালে পেট্ৰ'ল-ডিজেলৰ দাম বৃদ্ধি সন্দৰ্ভত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে, "পেট্ৰ'ল-ডিজেলৰ দাম কমিব বুলি আশাবাদী। কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰীয়ে বিবৃত্তি দিছে।অসম চৰকাৰে কি কৰিব পাৰি চাই আছেৰাজ্য চৰকাৰৰ টেক্স যিমান পাৰি কমাম। আমি সৰ্বসাধাৰণ ৰাইজৰ লগত আছো। মোক এক্সট্ৰা টেক্স নালাগে। ৰাইজৰ লগত আমি আছো। পৰিস্থিতি আৰু কেইটামান দিনৰ পৰা স্বাভাৱিক হৈ পৰিব। ক'ভিডে অৰ্থনীতি ক্ষতি কৰাৰ বাবে দাম বৃদ্ধি হৈছে।"




# কবিতাৰ শিতান

## যন্ত্ৰণা

নিতিস্মান দাস




যন্ত্ৰণা, যন্ত্ৰণা, যন্ত্ৰণা,
কিমান যে সহিম যন্ত্ৰণা,
নকৰে মানুহে নিজৰ মন চিকণা।
মুছ, মুছ, মুছ,
নিজৰ চৰিত্ৰহীনাৰ পৰিচয় মুছ,
ধ্বংস কৰে প্ৰকৃতিক, নোহোৱা হব গছ।
গছৰ সৈতে হে আছে বহু অত্যাচাৰ,
এদিন হলেও শুনিব লাগিব অশুভ সমাচাৰ।
ধৰ, ধৰ, ধৰ,
অপৰাধীক সোনকালে ধৰ।
যদি অপৰাধীক ধৰিবলৈ ঠাকে মনত ভয়,
তেন্তে শীঘ্ৰে হব দেশৰ বিলয়।
মিনতি, মিনতি, মিনতি,
ৰাজনীতিৰ পৰা নহব অত্যাচাৰী।
ৰত্নাকৰৰ পৰা শীঘ্ৰে হওঁক বাল্মিকী,
নহলে নোহোৱা হব ভাল মানুহ, এয়ে ডাঙৰ অৱনতি।
নাৰীৰ মান, নাৰীৰ মান, নাৰীৰ মান,
নেদেখা, নুশুনা হলোঁ নাৰীৰ মান।
যদি আজিকালি কোনোবাই দেখে এগৰাকী অৱন্তীকা,
ধৰ্ষণ কৰি কৰে নাৰীক অৱহেলা।
জাগক, জাগক, জাগক,
এই ত্ৰাসৰ বান্ধনৰ পৰা মুক্ত হবলৈ,
লাগিলে যাওঁক আমাৰ তেজ বৈ।
যুদ্ধত আমি নামিম আৰু হম অভয়,
এইটো নিশ্চিত যে "সত্যৰ সদায় জয়"।


## শব্দ

মৃগাংক বৰুৱা
গোলাঘাট

শব্দই-
বুকুত মৰমৰ দলং সাজে
যত, চেনেহৰ বটবৃক্ষই পোখা মেলে
তেনে সুৰীয়া শব্দৰেই
আয়ে নিচুকাইছিল
তেনে সুৰীয়া শব্দৰেই শিকালে
জীৱনক ভাল পাবলৈ
গভীৰ-সুগভীৰ ভাবেস্থ..
শচক্ষ্ম
শব্দ—
তাঁত শালত আইৰ দুভৰী নচাৰ
যেন ভৰ দুপৰৰ নিস্তব্ধতা ভাঙি
এটি মিঠা বাঁহীৰ সুৰ-
শচুগ্ন
স্মৃতিকাতৰ হিং এটিৰ শব্দত
সময়বোৰ কঁপিছে
এৰি অহাৰ লৰালিৰত তোমাৰ মিঠা
মাতটি ভাঁহিছে
হঠাৎ, উচুপনি এটাৰ শব্দত নীৰৱতা
ভাগিছে
শচচ্ছুগ্ন
মাত কথাৰ শব্দই
কেতিয়াবা বুকুত শেলে বিন্ধাদিও
বিন্ধিব পাৰে
স্বপ্ন হেৰাব পাৰে দুঃস্বপ্নৰ গলিত
তেতিয়াই জীয়াই থকাৰ উৰ্বৰতা
হেৰুৱাই
এখন হৃদয়ৰ পৰা আনখন হৃদয়
ক্ৰমশঃ চন পৰি বৈ যাবও পাৰে-

## চিলেটৰ দিনবোৰ

অমৰেন্দ্ৰ দাস
শোলমাৰা, নলবাৰী



এটি পাহৰিব নোৱাৰা স্মৃতি...!
চিলেটত লিখা সোনালী দিনবোৰ
বাৰে বাৰে লিখিছিলো
অ আ ক খ...।
আজিও মনত পৰে
দেউতাই বিচনীৰে বিচি
ম'হ খেদি থকা সময়
চোতালত পাতি পাৰি
ক খ গ ঘ লিখা সময়..!!
লিখি লিখি মচি দিছিলোঁ
তোমাৰ নাম..
অ খ ৰা
অক্ষৰা..!!
বাৰে বাৰে ভুল হৈছিল আখৰৰ পাক
চিলেটত লিখি লিখি
কেতিয়া যে হৃদয়ত লিখিলোঁ তোমাৰ নাম?
আজিও হুমুনিয়াহ কাঢ়ে
অতীতৰ স্মৃতিবোৰে
এতিয়া যে বুকুত লিখা
তোমাৰ নাম মচিবই নোৱাৰো
এতিয়া কি ভাৱ হয় জানা..?
সেই চিলেটত লিখা দিনবোৰেই ভাল আছিল
শুধৰণিৰ সুবিধাকণ মোৰ হাততেই আছিল।।
কাৰ পৰশত ফুলি গুচি গলা তুমি
মন ভাগিছাত মোক অকলে এৰি
বুকুৰ ভাষাবোৰ যে
আজিও বুকুতেই ৰ'ল
গুপুতে গুপুতে..!!

## বাৰ্দ্ধক্য

ডাঃ যুতিকা ওজা,
গুৱাহাটী চিকিৎসা মহাবিদ্যালয়



নওঠা দূৰৰ পাহাৰখনত
জুৰিটিৰ স্পন্দনহীন লহৰ
তাৰ মাজতে বিচাৰো মই
মোৰ সত্বাক
দেহৰ ভিতৰত জ্বলি থকা উত্তাপত
নিজেই হও দহন
মৰুভূমিত মৰিচীকা বিচাৰি
আৱদ্ধ হল জীৱন
কোনো এক বন্দৰত-
সন্ধ্যাৰ বুলনিত
হেৰাই গল সপোন চৰাইজনী
সৰি পৰা পাতখিলাই
দিলে সম্ভেদ হেৰুৱা জীৱনৰ

## জীৱনৰ পাটিগণিত


প্ৰসেনজিৎ গোস্বামী




ৰাতিখন ডায়েৰী পাতত লিখিবলৈ
দিনটোৰ খচৰা,
হিচাপ নিকাছ বহুত ওলাল।
তাৰে মাজত অভিজ্ঞতা এটা দিনৰ
যোগ হ'ল,
আৰু বিয়োগত আয়ুসৰ এটা দিন
লিখি থলো
বাকীৰ ফালে দেখোন ওজনটো
বাঢ়ি গৈ আছে।
নগদ বুলিবলৈ উশাহ নিশাহ
গনিছোঁ মাথো।
আউল লগা হিচাপত বহি নিশাটো
প্ৰায়ে শেষ হওঁ হওঁ।
শুইয়ে দিও
কিজানি মিলাব পাৰো সপোনত
জীৱনৰ পাটিগণিত।

## তিনিটা প্ৰেমৰ স্তৱক

চিন্ময় বৰুৱা,
যোৰহাট



(১)
তোমাৰ স্মৃতিৰ সৰাপাতে কঁপাই আছে
নিৰ্জন আবেলিৰ বতাহ
তুমি যে মোৰ স্বপ্নিল বসন্তৰ এবুকু সেউজীয়া হেঁপাহ ।
(২)
তুমি এজুপি গছ হোৱা সাহসৰ
দুখৰ সমাধি বগাই জিৰণি ল'ম তোমাৰ ছাঁত ।
(৩)
হাতত হাত থ'ব নালাগে যদি
তাত বিশ্বাস নাথাকে
চকুত চকু থোৱা আৰু কোৱা
কোনো কঠিন সময়েও আমাক আঁতৰাব নোৱাৰে ।


মহামাৰীয়ে আমাৰ জীৱনবোৰ
অস্বাভাৱিক কৰি তুলিলে
অজস্ৰজন ভুক্তভোগী হ'ল
বহু লোকে হেৰুৱালে আপোনজনক
Assam State Disaster Management Authority
জনতাৰ চৰকাৰ
my GOV मेरी सरकार
মনোজ্ঞ MANOJNA
Methodological Application of Neuroscientific Options for Judicious Natural Adjustment
আৱেগিক আৰু মানসিক স্বাস্থ্যজনিত যিকোনো সমস্যা
সমাধানৰ বাবে টেলি-পৰামৰ্শ প্ৰদানৰ ব্যৱস্থা
সময় ঃ পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ
সহায়ৰ বাবে ডায়েল কৰক
ট'ল ফ্ৰী নম্বৰ ১৪৪১০
তলত লিখিত ধৰণৰ বিষয়সমূহক লৈ
মানসিক উদ্বিগ্নতাত ভুগি আছে নেকি?
সাহায্য শিবিৰ বা অন্যান্য আশ্ৰয় স্থলত থাকিবলগীয়া হোৱাৰ উদ্বিগ্নতা
বৰ্তমান বা ভৱিষ্যতৰ পৰিস্থিতিক লৈ অধিক চিন্তা
ক'ভিড-১৯ত আত্মীয় বা বন্ধুক হেৰুৱাৰ বেথা
উপাৰ্জন আৰু জীৱিকা হেৰুওৱাৰ সংশয়
অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা
প্ৰাধিকৰণৰ এক পদক্ষেপ
পঞ্জীয়ন কৰক :
assam.mygov.in
/mygovassam
JANASANYOG- 2192/21
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow Us /@diprassam https://dipr.assam.gov.in/

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025

১৩ কাতি, ১৪২৭ চন Rongili Barta, Date of Publication-- 31 OCTOBER, 2021

# সকলোৰে সুখী হওঁ আহক

সাহসেৰে সন্মুখীন হোৱা । আমাৰ প্ৰত্যেকৰে মাজত এটা শিশু সুলভ মন আছে। নিৰ্ভেজাল মৰম আছে।কিন্তু আমি যেন নিজকে শামুকৰ দৰে কৃত্ৰিমতাৰ খোলাৰ মাজত বন্দী কৰি ৰাখো। সেয়েহে কোনোবা এদিন আহিব লগীয়া সেই ডাঙৰ সুখবোৰৰ কাৰণে বাট চাই নাথাকি, আমি আজিয়েই সুখী হওঁ আহক। হে পৰো ঠিক এটা শিশুৰ দৰে! প্ৰত্যেকটো মুহূৰ্তত অনুভৱ কৰো যে মই সুখী—কামতো সুখী, আৰামতো সুখী, আজিৰ আহাৰত সুস্বাদু ব্যঞ্জন নাই, তেনেকৈয়ে সুখী। আজি কোনো বন্ধু -বান্ধৱীৰ সঙ্গ নাই, অকলেই সুখী। আজি গাড়ী নাই, খোজ কঢ়াতে সুখী। আজি কোনোবাই মোক খং কৰিছে —তেওঁৰ সেই অভিব্যক্তিতে সুখী। যাক দেখা নাপাওঁ—তেওঁৰ মাত শুনিয়েই সুখী। পাৰ হৈ যোৱা দিনবোৰ কেতিয়াও ঘূৰি নাহে, মিঠা স্মৃতি বোৰতেই সুখী। আহি থকা দিনবোৰ কেনে হব নাজানো, অপেক্ষাতে সুখী। হাঁহি- হাঁহি পাৰ কৰিছোঁ দিনবোৰ আজিটোক লৈয়েই সুখী। জীৱনটো তেনেই চুটি-প্ৰত্যেক মুহূৰ্তত মই সুখী।

# আমাৰ সমাজৰ চৌপাশে সতকাই অনাদৃত- বাৰ্ধক্য

বৃদ্ধাশ্ৰমৰ লোককেইজনৰ ওপৰতে দায়িত্ব অৰ্পণ কৰিলেও নহ'ব।

বৃদ্ধকাল আহিলেই, বাৰ্ধক্য আহিলেই আমি পিতৃ মাতৃক, পৰিয়ালৰ জেষ্ঠ্যজনক কিয় অৱহেলা কৰিববলৈ লওঁ। নিশ্চয় তেওঁলোকে আমি বিচৰা ধৰণে কৰ্মঠ হৈ নাথাকে বাবে, নিশ্চয় পইচা উৎপাদনৰ ক্ষমতা আগৰ দৰে নাথাকে বাবে, লগতে বাৰ্ধক্য আহিলে তেওঁলোকে আমাৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয় কিছু কিছু কামৰ বাবে। সেইবাবেই তেওঁলোকে অনাদৃত, অৱহেলিত হয় আপোনজনৰ দ্বাৰাও। কিন্তু বৰ্তমানৰ সময়খিনি আমি কিয় এবাৰ ভাবি নাচাও যে আমাৰো প্ৰত্যেকৰে জীৱনত বাৰ্ধক্য কাল এদিন আহিব। আমি পৰিয়ালৰ সকলোকে এইখিনি কথা নিশিকাওঁ যে পিতৃ মাতৃ অভিভাৱকক বৃদ্ধকালত অৱহেলা কৰিলে আমাৰ উত্তৰ প্ৰজন্মই যে সেইখিনি কথাকে দেখিব, শুনিব। আমাৰ ৰাজ্য চৰকাৰ খনৰো বৃদ্ধলোকসকলৰ সমস্যাৱাজিৰ বিষয়ে গুৰুত্ব সহকাৰে আলোচনা কৰি এই ক্ষেত্ৰত কৰিব লগীয়া বহুত আছে। বয়সীয়াল লোক সকলে যাতে নিজৰ মন পচন্দ, বয়সৰ ৰুচী মতে সময় কটাব পাৰে তাৰ বাবে সুকীয়াকৈ প্ৰত্যেক চহৰত অৱসৰ বিনোদন কেন্দ্ৰ গঢ়ি তুলিব লাগে। ৰাজ্যত ইতিমধ্যে যি কেইটা বৃদ্ধ নিবাস আছে, সেইকেইটাৰ আন্তঃগাঁঠনি উন্নত কৰাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ পাঠ্যক্ৰমত আগতে নীতিশিক্ষা বোলা বিষয় এটা আছিল, কিন্তু এই প্ৰয়োজনীয় বিষয়টো পাঠ্যক্ৰমৰ পৰা উঠাই দিয়া হ'ল। শৈশৱ আৰু কৈশোৰ কালত নীতি শিক্ষাৰজ্ঞান ল'ৰা-ছোৱালীৰ বাবে খুবেই প্ৰয়োজনীয়। ব্যক্তিত্বৰ সুবিকাশত এই বিষয়টোৰ যথেষ্ট গুৰুত্ব আছে। সেয়েহে চৰকাৰৰ শিক্ষা বিভাগে স্কুলীয়া পাঠ্যক্ৰমত নীতি শিক্ষাৰ দৰে বিষয় এটা অন্তৰ্ভুক্ত কৰিব পৰিব নেকি সেয়া চিন্তা চৰ্চা কৰাৰ প্ৰয়োজন হৈছে। আমি সকলোৱে মনত ৰাখিব লাগে যে প্ৰত্যেক ব্যক্তিৰ জীৱনত শৈশৱ, কৈশোৰ যিদৰে গুৰুত্বপূৰ্ণ, যৌৱন যিদৰে মোহনীয়, তেনেদৰে বাৰ্ধক্য কালৰো আছে এক সুকীয়া মহত্ব আৰু গুৰুত্ব।

# ইতিহাস প্ৰসিদ্ধ নেঘেৰিটিং

এই মন্দিৰ পাই দুশ বছৰৰো অধিক পুৰণি বুলি অনুমান কৰা হৈছে। কেইবাটাও চিৰি পাৰ হৈ মন্দিৰৰ মূল প্ৰবেগ পথ পোৱা যায়। গেটৰ পৰা অলপ দূৰ গলে মন্দিৰৰ বাটচৰা পোৱা যায়। চেপেটা ইটাৰে সজোৱা কদৌশৈৰীয়া নেঘেৰিটিং শিৱদৌল আহোম যুগৰ শিল্প কলাৰ এক সুন্দৰ নিদৰ্শন। মূল দৌলৰ চাৰিওফালে গণেশ, বিষ্ণু, দুৰ্গা আৰু সূৰ্য দেৱতাৰ বিগ্ৰহ আছে। প্ৰতিটো দৌলৰে এটা আগচৰা আছে। মূল দৌলত বান লিংগ প্ৰতিষ্ঠা কৰা হৈছে। দেৰগাঁৱৰ শিৱদৌলৰ প্ৰতি আহোম স্বৰ্গদেউ সকলৰ অসীম ভক্তি আছিল। তেওঁলোকে পূজাৰ নিমালি লৈহে আহাৰ গ্ৰহণ কৰিছিল। ইয়াৰ বাবে দেৰগাঁৱৰ পৰা ৰাজধানী ৰংপুৰলৈ "বৰ আলি 'নামৰ এটি চমু পথ আছিল। দৌলৰ প্ৰধান ঠাকুৰ জনক "বৰঠাকুৰ" বোলা হৈছিল। দৌলত পূজা কৰিবৰ কাৰণে স্বৰ্গদেউ প্ৰতাপ সিংহই ভূধৰ আগমাচাৰ্য্যক পূজাৰী হিচাবে নিয়োগ কৰে। সেই আগমাচাৰ্য্যৰ বংশধৰ সকলে এতিয়াও নেঘেৰিটিং দৌলত সেৱা আগবঢ়াই আছে। (তথ্যৰ সহায়ত)

# সাম্প্ৰতিক সময়ত বিশ্ব

মন্তব্যৰ বাৰুকৈয়ে পয়োভৰ ঘটিবলৈ লৈছে। প্ৰকৃততে ধৰ্ম হৈছে নিজে পালন কৰিবলৈহে, নিজে এটি ধৰ্মৰ বিশ্বাসী আৰু অনুসৰনকাৰী হৈ আনৰ ধৰ্মক ভুল আৰু কটু সমালোচনা কৰি আক্ৰমনাত্মক হোৱাৰ নাম ধৰ্ম নহয়। যি মানুহে নিজৰ ধৰ্মক নীতি নিয়ম অনুযায়ী পালন কৰে তেও কেতিয়াও আন ধৰ্মক সমালোচনা কৰিব নোৱাৰে বৰঞ্চ শ্ৰদ্ধাশীল হ'বই লাগিব। কুৰ্তা, পাইজামা আৰু মুৰত টুপি বা পাগুৰী পিন্ধিলেই যিদৰে প্ৰকৃত মুছলমান নহ'ব ঠিক সেই দৰে গেৰুৱা পোচাক পিন্ধি কপালত চন্দনৰ ফোট ল'লেই প্ৰকৃত সনাতন ধৰ্মী নহ'বও পাৰে। লাগিব আন্তৰিক বিশ্বাস আৰু আনুগত্য। প্ৰকৃত ধাৰ্মীক ব্যক্তিৰ দ্বাৰা মানব সমাজত শান্তি আৰু সম্প্ৰীতিৰ এনাজৰীৰ সৃষ্টি হয়।এয়েই হৈছে প্ৰকৃত পক্ষে বিশ্ব সংস্কৃতিৰ এটি অভিন্ন অংগ ধৰ্মৰ নামত হোৱা সম্পাদিত কৰ্মৰ প্ৰতিফলন।

বিশ্ব সংস্কৃতিৰ অভিন্ন অংগ বিভিন্ন ধৰ্মত বিশ্বাসী সমাজবোৰক শান্তি, সম্প্ৰীতি আৰু সমন্বয়ৰ দ্বাৰা বান্ধি ৰাখিবলৈ মহামানব মহাত্মা গান্ধী, পণ্ডিত জৱাহৰলাল নেহেৰু, মৌলানা আবুল কালাম আজাদ, সুভাস চন্দ্ৰ বসু, অসমৰ সমাজ জীৱনৰ খনিকৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱ, মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱ, শ্বাহ মিলন ওৰফে আজান ফকিৰ, লোকপ্ৰীয় গোপীনাথ বৰদলৈ আদিৰ দৰে সংস্কৃতিবান নহ'লেও তেখেত সকলৰ এচাম অনুৰাগী আৰু অনুসৰনকাৰী দেশৰ বাবে পুনৰ ওলাই অহাৰ প্ৰয়োজনবোধ ইতিমধ্যে আহি গৈছে।

ধৰ্মীয় ভাবেও ভাৰতীয় মহাকাব্য মহাভাৰতৰ শ্ৰীকৃষ্ণৰ দৰে "স্থিতপ্ৰজ্ঞ", ৰামৰ দৰে পিতৃভক্ত, ইছলাম ধৰ্মৰ শেষ প্ৰচাৰক হজৰত মহম্মদ ছঃৰ দৰে ধৈৰ্য আৰু ক্ষমা গুণ, যীশুৰ দৰে আত্মোৎসৰ্গ, বুদ্ধৰ দৰে ত্যাগী, গুৰু নানকৰ দৰে ঐক্যবদ্ধতা, মহাবীৰ জৈনৰ দৰে সহনশীলতা, মহাত্মা গান্ধীৰ দৰে উদাৰতা আৰু মাতৃভূমিৰ স্বাধীনতাকামী আদি বিশেষত্বক অলংকাৰ কৰি নিস্বাৰ্থবান ধৰ্মগুৰুৰ প্ৰয়োজনীয়তাৰ সাম্প্ৰতিক সময়ৰ স্বীকাৰ্যক নেওচি চকু মুদি থাকিব নোৱাৰা দেশ তথা ৰাজ্যৰ নাগৰিক সকলে হাতত হাত ধৰি শান্তি, সম্প্ৰীতি আৰু সমন্বয়ৰ দৃঢ়তাৰ শৃংখল গঢ়ি তোলা নিত্যান্তই প্ৰয়োজন হৈ পৰিছে। নহ'লে বৰ্তমান আৰু পৰৱৰ্তী দেশৰ প্ৰজন্মই বিশ্ব সংস্কৃতিৰ অভিন্ন অংগ ধৰ্মীয় জগতখনৰ ভগ্নাৱশেষৰ ভুলুণ্ঠিত মাবৰতাৰ পৃষ্ঠভুমিত বসতি কৰিব লাগিব।

# হেকাৰ আৰু হেকিং

(Facebook) আৰু ৱাটছ এপ (Whatsapp) এপ সাধাৰণতে ফেইচবুক একাউণ্টলৈ বিভিন্ন জনৰ বন্ধুত্বৰ প্ৰস্তাৱনা (Friend request) আহে। এই বন্ধুত্বৰ অনুৰোধ আপুনি চাই-চিতিহে গ্ৰহণ কৰিব। বন্ধুজনৰ প্ৰফাইল (ব্যক্তিগত তথ্য) ভালদৰে চাইহে তেওঁক বন্ধুৰূপে গ্ৰহণ কৰিব। যদি প্ৰফাইলত সবিশেষ তথ্য নাথাকে, তেনেহ'লে তেওঁৰ অনুৰোধ প্ৰত্যাখান কৰিব। আজিকালি বহুতৰে এই প্ৰফাইল বন্ধ (lock) থাকে। বন্ধুত্বৰ প্ৰস্তাৱ গ্ৰহণ কৰাৰ পাচতহে তেওঁৰ তথ্য সমূহ নিৰিক্ষণ কৰিব পাৰে। তেনেক্ষেত্ৰত আপুনি সন্তুষ্ট নহ'লে লগে লগে তেওঁক অবন্ধু (Unfriend) কৰিব। কাৰণ নিজৰ ব্যক্তিগত পৰিচয় গোপন ৰাখি সেই বন্ধুৱে ভৱিষ্যতে আপোনাক বিপদত পেলাব পাৰে। আকৌ কোনো এজনক বন্ধুত্বৰ প্ৰস্তাৱ দিয়াৰ আগতে, আগতে তেওঁৰ বন্ধু হিচাৱে গ্ৰহণ কৰিছে নেকি, আপোনাৰ বন্ধুৰ তালিকখন ভালদৰে এবাৰ চাই ল'ব। কাৰণ একে বন্ধুৰ ফটো ব্যৱহাৰ কৰি কোনোবা হেকাৰে ভুৱা একাউণ্টো খুলিব পাৰে। Facebook ত পৰাপক্ষত আপোনাৰ ব্যক্তিগত মবাইল নম্বৰ সংযোজিত নকৰিব। ৱাটছ আপ বা ফেইচবুকৰ ভিত্তিত কল পৰাপক্ষত গ্ৰহণ নকৰিব। এইবোৰৰ জৰিয়তে পৰ্ণ ভিডিও প্ৰেৰণ কৰিব পাৰে। আৰু পাছত হেকাৰে আপোনাক বিভিন্ন কৌশলৰে ব্লেক মেইলিং কৰিব পাৰে। ফেইচবুকৰ মেচেনজাৰ (Messanger) সাৱধানে ব্যৱহাৰ কৰিব। অসলংগন কথাবটৰা পালেই লগে লগে ব্লক কৰিব। বহুত হেকাৰে হেকিংৰ সুবিধাৰ বাবে বেলেগ ছোৱালী বা ল'ৰাৰ ফটো সংলগ্ন কৰি ভুৱা একাউন্ট খুলি আপোনাক বিপদত পেলাব পাৰে। চিনাকী মানুহৰ ভিডিও কল আহিলে লগে লগে ফোন কৰি তেওঁৰ ভিডিও কল কৰিছে নেকি জানি ল'ব। পৰাপক্ষত অচিনাকী ব্যক্তিৰ ফেইণ্ড ৰিকুৱেষ্ট (friend request) গ্ৰহণ নকৰিব। ফেইচবুকৰ পাছৱৰ্ড গোপনে ৰাখিব আৰু এই পাছৱৰ্ড বদলাই থাকিব।

আজিকালি ডিজিটেল মাধ্যমত বহুতো আলোচনী প্ৰকাশ হোৱা দেখা যায়। এই হেকাৰসকলে কৌশলেৰে এই আলোচনী সমূহৰ আলোচক বা সাহিত্যিকৰ মুখা পিন্ধি প্ৰৱশ কৰিব পাৰে। মই আগতে উল্লেখ কৰা মতে সেইসকল লোক সাধাৰণততে প্ৰচুৰ মেধা শক্তি সম্পন্ন। তেওঁলোকে এনে আলোচনীলৈ বিভিন্ন গল্প কবিতা বা প্ৰবন্ধ প্ৰেৰণ কৰিব পাৰে প্ৰচাৰ বাবে। এইদৰেই নিৰ্দিষ্ট ডিজিটেল আলোচনী খনৰ পৰিচালক বৃন্দৰ লগত এক মধুৰ সম্পৰ্ক গঢ়ি তোলে। লাহে লাহে তেওঁলোকৰ পৰা আলোচনী খনৰ লগত জড়ত বিভিন্ন ব্যক্তিৰ ব্যক্তিগত তথ্য কৌশলৰে হস্তগত কৰি সেইসকললোকক হেকিং কৰিব পাৰে। লগতে আলোচনীখনৰ পৰিচালক বৃন্দকো প্ৰতাৰণা কৰাৰ সম্ভাৱনা থাকে। গতিকে সম্পূৰ্ণ পৰিচিত ব্যক্তিকহে এই আলোচনী সমূহত স্থান দ্ব লাগে। আৰু ইয়াৰ লগত জড়িত অনন্য ব্যক্তিৰ ব্যক্তিগত তথ্য বা ফোন নম্বৰ কেতিয়াও প্ৰদান কৰিব নালাগে।

গতিকে ওপৰত উল্লেখ কৰা বিষয়বস্তু সমূহত সকলোৱে গুৰুত্ব সহকাৰে বিবেচনা কৰিলে আমি হেকাৰচ বা হেকিংৰ প্ৰতাৰণাৰ সহজ চিকাৰ নহম।

ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286